# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-01-2025 **Time :** 0900 Hrs.

## Assamese Morning Bulletin
## Headlines
-------------

১। ৰাজ্যত ৭৬ সংখ্যক গণৰাজ্য দিৱস উদযাপনৰ প্ৰস্তুতি অব্যাহত। গণৰাজ্য দিৱসৰ পতাকা উত্তোলনৰ সূচী ঘোষণা।

২। জাপানৰ ভূমি, আন্তঃগাঁথনি, পৰিবহণ আৰু পৰ্যটন ৰাজ্যমন্ত্ৰী ফুৰুকাৱা য়াছুছিক সাক্ষাৎ কৰি দেশখনৰ সৈতে সম্পৰ্ক সুদৃঢ় কৰাৰ বিষয়ে আলোচনা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ।

৩। কামাখ্যা দেৱোত্তৰ ব'ৰ্ডৰ নামত হোৱা বুজন পৰিমাণৰ ধনৰ কেলেংকাৰী সন্দৰ্ভত বিধি বলৱৎকাৰী সঞ্চালকালয়ৰ অভিযান।

৪। বংগোপ সাগৰৰ শীতল বতাহৰ বাবে উত্তৰ পূৰ্বাঞ্চলৰ তাপমাত্ৰা নিম্নগামী। ৰাজ্যৰ বিভিন্ন প্ৰান্তত যোৱানিশা মজলীয়া ভূমিকম্পৰ জোকাৰণি।

*আৰু*

৫। লোকপ্ৰিয় গোপীনাথ বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাত উন্নত প্ৰদৰ্শন কৰা ১৯ বছৰ অনুৰ্ধ খেলুৱৈৰ এটা দলক প্ৰশিক্ষণৰ বাবে স্পেইনলৈ প্ৰেৰণৰ সিদ্ধান্ত।

০০০০০০

৭৬ সংখ্যক গণৰাজ্য দিৱস উদযাপনৰ বাবে দেশৰ বিভিন্ন প্ৰান্তৰ লগতে ৰাজ্যৰ বিভিন্ন স্থানতো পূৰ্ণ প্ৰস্তুতি চলিছে। গণৰাজ্য দিৱসৰ সময়ছোৱাত যাতে কোনোধৰণৰ কূটাঘাতমূলক ঘটনা সংঘটিত হ'ব নোৱাৰে তাৰ বাবে আৰক্ষীয়ে কটকটীয়া নিৰাপত্তা গঢ়ি তুলিছে। খানাপাৰাৰ অসম পশুপালন আৰু পশু চিকিৎসালয় খেলপথাৰত হ'বলগীয়া কাৰ্যসূচীত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই পতাকা উত্তোলন কৰিব। আনহাতে, পূৰ্ব নিৰ্ধাৰিত ঘোষণা অনুসৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এইবাৰ ডিব্ৰুগড়ত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিব। ৰাজ্য চৰকাৰৰ মন্ত্ৰীসভাৰ সদস্যসকলৰ লগতে আন আন সকলে পতাকা উত্তোলন কৰিবলগীয়া স্থান কালি মুখ্য সচিব ড০ ৰবি কোটাই অধিসূচনাযোগে প্ৰকাশ কৰিছে। সেই অনুসৰি পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে দৰঙত, কৃষিমন্ত্ৰী অতুল বৰাই শিৱসাগৰত, ৰাজহ মন্ত্ৰী কেশৱ মহন্তই বঙাইগাঁৱত, হস্ততাঁত আৰু বস্ত্ৰ শিল্প মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মাই চিৰাঙত, বন আৰু পৰিবেশ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে কামৰূপত, শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে ধেমাজিত, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী অশোক সিংহলে নগাঁৱত, পৰিবহন মন্ত্ৰী যোগেন মহনে মাহমৰা সমজিলাত, বিত্ত মন্ত্ৰী অজন্তা নেওগে গোলাঘাটত, জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই শোণিতপুৰত, উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী বিমল বৰাই যোৰহাটত, জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই নলবাৰীত, ক্ৰীড়া আৰু যুৱ কল্যাণ মন্ত্ৰী নন্দিতা গাৰ্লোছাই বৰপেটাত, শক্তি মন্ত্ৰী প্ৰশান্ত ফুকনে তিনিচুকীয়াত, খাদ্য আৰু ৰাজহুৱা বিতৰণ মন্ত্ৰী কৌশিক ৰায়ে কাছাৰত, পশুপালন মন্ত্ৰী কৃষ্ণেন্দু পালে শ্ৰীভূমিত, শ্ৰমিক কল্যাণ মন্ত্ৰী ৰূপেশ গোৱালাই লখিমপুৰত, বি টি আৰৰ মুখ্য কাৰ্যবাহী সদস্য কোকৰাঝাৰত, কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিসৰাম ৰংহাঙে ডিফুত, ডিমা হাছাও স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য দেৱলাল গাৰ্লোছাই হাফলঙত, বি টি আৰৰ উপ-মুখ্য কাৰ্যবাহী সদস্য গোবিন্দ চন্দ্ৰ বসুমতাৰীয়ে ওদালগুৰিত আৰু অসম বিধানসভাৰ উপাধ্যক্ষ নোমল মমিনে গোৱালপাৰাত পতাকা উত্তোলন কৰিব।

ইপিনে, ৰাজ্যৰ বিভিন্ন স্থানৰ লগতে গোৱালপাৰা জিলাত গণৰাজ্য দিৱসৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰা হৈছে। জিলাখনৰ প্ৰশাসনে গোৱালপাৰা চহৰৰ জে টি এছ খেলপথাৰত গণৰাজ্য দিৱস পালন কৰিব। জিলাখনত গণৰাজ্য দিৱসৰ সময়ছোৱাত যাতে কোনো ধৰণৰ অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি নহয় তাৰ বাবে কটকটীয়া নিৰাপত্তা ব্যৱস্থা গঢ়ি তোলা হৈছে। নদীপথৰ

লগতে অসম-মেঘালয় সীমান্তৰ স্পৰ্শকাতৰ অঞ্চলসমূহতো প্ৰশাসনে তালাচী অব্যাহত ৰাখিছে। একেদৰে তিনিচুকীয়া জিলাতো গণৰাজ্য দিৱসৰ প্ৰস্তুতি পূৰ্ণ গতিত চলিছে। গণৰাজ্য দিৱসৰ সৈতে সংগতি ৰাখি জিলাখনত আগতীয়াকৈ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত চিত্ৰাংকন, কুইজ, ৰচনা আৰু শ্লোগান লিখা প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে।

০০০০০০০

ৰাজ্যৰ ১০ গৰাকী উদ্যমীক দিল্লীত হ'বলগীয়া গণৰাজ্য দিৱসৰ কুচকাৱাজলৈ বিশেষ অতিথি হিচাপে আমন্ত্ৰণ জনোৱা হৈছে। আমন্ত্ৰণ লাভ কৰা উদ্যমীসকলৰ ভিতৰত ধুবুৰীৰ নমিতা এম মাৰাক, কোকৰাঝাৰৰ বিউতি ৰামচিয়াৰী, চিৰাঙৰ মীনা মুছাহাৰী, শোণিতপুৰৰ ইউৰিকা ডব্লিউ ডি ৰাগাম, ধেমাজিৰ অনিল পেগু, গুৱাহাটীৰ গোপাল কৰ্মকাৰ, শিৱসাগৰৰ প্ৰিন্স ফুকন, মৰিগাঁৱৰ প্ৰণৱ সিং, কামৰূপ মহানগৰৰ ত্ৰিবেণী বৰগোহাঁই আৰু নিৰ্মল চৌধুৰী আছে। বিভিন্ন ক্ষেত্ৰত লাভ কৰা সাফল্যৰ বাবে এই উদ্যমীকেইগৰাকীক গণৰাজ্য দিৱসৰ কুচকাৱাজলৈ আমন্ত্ৰণ জনোৱা হৈছে। কেন্দ্ৰীয় চৰকাৰৰ অধীনত গুৱাহাটীৰ ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠানৰ উদ্যোগত আজি এই উদ্যমীকেইগৰাকী দিল্লীলৈ বুলি ৰাওনা হ'ব। এইবেলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ পৰামৰ্শ অনুসৰি বিভিন্ন ক্ষেত্ৰৰ সফল আৰু দক্ষ উদ্যমীক তেওঁলোকৰ পৰিয়ালৰ সদস্যসহ কুচকাৱাজত বিশেষভাৱে সংৰক্ষিত আসনত বহিবলৈ দি সন্মান জনোৱা হ'ব।

০০০০০০০

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কালি টকিঅ'ত জাপানৰ ভূমি, আন্তঃগাঁথনি, পৰিবহণ আৰু পৰ্যটন ৰাজ্যমন্ত্ৰী ফুৰুকাৱা য়াছুহিক সাক্ষাৎ কৰি দেশখনৰ সৈতে সম্পৰ্ক সুদৃঢ় কৰাৰ বিষয়ে বিশদভাৱে আলোচনা কৰে। পৰ্যটনক সমৃদ্ধি তথা অসম আৰু জাপানৰ মাজৰ বন্ধুত্বপূৰ্ণ সম্পৰ্ক সুদৃঢ়কৰণৰ সচাৰকাঠি বুলি অভিহিত কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে চৰাইদেউ মৈদাম আৰু কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ লগতে চাহ বাগিচা আৰু মনোমোহা গ'ল্ফ কৰ্চসমূহ জাপানী পৰ্যটকৰ বাবে আকৰ্ষণৰ কেন্দ্ৰবিন্দু হ'ব পাৰে। ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰীগৰাকীয়ে ন্যায় বিভাগৰ ৰাজ্যমন্ত্ৰী কোমুৰা মাছাহিৰোক সাক্ষাৎ কৰি জাপানৰ কোম্পানীসমূহৰ বাবে অসমত বিনিয়োগৰ সুচল পৰিবেশ সৃষ্টিৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থাসমূহৰ বিষয়ে জানিবলৈ দিয়ে। মুখ্যমন্ত্ৰীয়ে জাপানৰ মন্ত্ৰীগৰাকীক অসম চৰকাৰে দেশখনৰ কোম্পানীসমূহৰ বাবে এখন ঔদ্যোগিক উদ্যান স্থাপনৰ পৰিকল্পনা লৈছে বুলি অৱগত কৰে। তদুপৰি অসমৰ প্ৰতিভাৱান আৰু দক্ষতাসম্পন্ন যুৱক-যুৱতীয়ে জাপানত কৰ্মচাৰীৰ চাহিদা পূৰণ কৰাত কেনেদৰে সহায় কৰিব এই বিষয়ে মুখ্যমন্ত্ৰীয়ে মন্ত্ৰীগৰাকীৰ সৈতে আলোচনা কৰে। এই আলোচনা কালত ভাৰত আৰু জাপানৰ মূল্যবোধ, ৰীতি-নীতি আৰু গৌতম বুদ্ধৰ আদৰ্শৰাজিয়ে কিদৰে দুয়ো দেশৰ মাজত আধ্যাত্মিক সেতু গঢ়ি তুলিছে সেই বিষয়সমূহে স্থান লাভ কৰে। মুখ্যমন্ত্ৰীয়ে লগতে জাপানৰ খাদ্য প্ৰসংস্কৰণ কোম্পানী কামেদা ছেইকাৰ মুখ্য কাৰ্যবাহী বিষয়া শ্ৰীলেখ ৰাজ জুনেজাৰ সৈতেও আলোচনাত মিলিত হৈ তেওঁক অসমৰ সমৃদ্ধিশালী খাদ্য প্ৰসংস্কৰণ খণ্ডত বিনিয়োগৰ বাবে আহ্বান জনায়। তেওঁ কয় যে অসমত উদ্যোগৰ বাবে সৃষ্টি হোৱা অনুকূল পৰিবেশেৰ বাবে বৃহৎ কোম্পানীসমূহে নিজৰ কাৰ্যপন্থা সুচলভাৱে আগবঢ়াই নিবলৈ সমৰ্থ হৈছে। মুখ্যমন্ত্ৰীয়ে শ্ৰীজুনেজাক শেহতীয়াকৈ প্ৰবাসী ভাৰতীয় সন্মান বঁটা ২০২৫ লাভ কৰাৰ বাবে অভিনন্দন জ্ঞাপন কৰে।

০০০০০০০

বিধি বলৱৎকাৰী সঞ্চালকালয়ে কামাখ্যা দেৱোত্তৰ ব'ৰ্ডৰ নামত হোৱা বুজন পৰিমাণৰ ধনৰ কেলেংকাৰী সন্দৰ্ভত কালি দেৱালয় পৰিসৰত ব্যাপক অভিযান চলায়। শক্তিপীঠ কামাখ্যা ধামৰ পৰিচালনাৰ বাবে গঠিত কামাখ্যা দেৱোত্তৰ ব'ৰ্ডত ২০০৩-ৰ পৰা ২০১৯ চনলৈ প্ৰায় ৭ কোটি ৬২ লাখ টকাৰ কেলেংকাৰী সংঘটিত হোৱা বুলি অভিযোগ উঠিছে। এই সন্দৰ্ভত পূৰ্বতে অপৰাধ অনুসন্ধান সংস্থাটোত এটা গোচৰ ৰুজু কৰি ব'ৰ্ডৰ বিষয়ববীয়াসকলৰ বিৰুদ্ধে তদন্ত চলোৱা হৈছিল। পাছত গোচৰটো বিধি বলৱৎকাৰী সঞ্চালকালয়লৈ হস্তান্তৰ কৰা হৈছিল।

০০০০০০০

অসম সাহিত্য সভাৰ সপ্তসপ্ততিতম দ্বিবাৰ্ষিক পাঠশালা অধিবেশনৰ প্ৰস্তুতি পূৰ্ণগতিত চলি আছে। অহা ৩১ জানুৱাৰীৰ পৰা ৪ ফেব্ৰুৱাৰীলৈ ভট্টদেৱ ক্ষেত্ৰত হ'বলগীয়া সভাৰ অধিবেশনৰ বাবে এইবাৰ ৬ কোটি টকাৰ বাজেট ধাৰ্য কৰা হৈছে। অধিবেশনৰ আদৰণি সমিতিৰ সভাপতি ৰঞ্জিত কুমাৰ দাসে প্ৰকাশ কৰা মতে এইবাৰ অধিবেশনত সকলো প্ৰতিনিধিক বিনামূলীয়াকৈ ভ্ৰাম্যমান থিয়েটাৰ দেখুওৱাৰ ব্যৱস্থা কৰা হৈছে। ভ্ৰাম্যমান আৰু যাত্ৰাপাৰ্টিৰ জন্মস্থান বজালী হোৱা হেতুকে

অধিবেশনত যাত্ৰাপাৰ্টীৰ নাট প্ৰদৰ্শনৰো ব্যৱস্থা কৰা হৈছে। আনহাতে, ইতিহাস সন্মিলন, বুৰঞ্জী সন্মিলন, বিভিন্ন জনগোষ্ঠীয় নৃত্যৰে সাংস্কৃতিক কাৰ্যসূচী ৰূপায়ণ কৰাৰ বাবে পাঁচখন মঞ্চ সাজু কৰি তোলা হৈছে। অধিবেশনত অসম সাহিত্য সভাৰ নৱনিৰ্বাচিত সভাপতিক আদৰিবলৈ ২০ লক্ষাধিক টকাৰ বাজেটেৰে সাংস্কৃতিক শোভাযাত্ৰাৰ প্ৰস্তুতি চলোৱা বুলিও শ্ৰীদাসে প্ৰকাশ কৰিছে। অসম সাহিত্য সভাৰ পাঠশালা অধিবেশনৰ প্ৰস্তুতি সন্দৰ্ভত আদৰণি সমিতিৰ সভাপতিগৰাকীয়ে এইদৰে কয়-

ঃবাইটঃ

ooooo

বাক্সা জিলাৰ ভাৰত-ভূটান সীমান্তৰ সুৱনখাটাত ৮ দিনীয়াকৈ অনুষ্ঠিত ত্ৰয়োদশ ভাৰত-ভূটান মৈত্ৰী মেলা আৰু ৭৩ সংখ্যক মাঘ মেলাৰ আজি সামৰণি পৰিব। মেলাৰ প্ৰতিটো দিনতে অগণন লোকৰ সমাগম হোৱা পৰিলক্ষিত হয়। বড়ো, ৰাভা, গোৰ্খা, চাওতালী, কোচ ৰাজবংশীকে ধৰি বিভিন্ন জনগোষ্ঠীৰ লোকে মেলাৰ সৈতে সংগতি ৰাখি আয়োজিত সাংস্কৃতিক অনুষ্ঠানত নৃত্যগীত পৰিবেশন কৰে।

oooooo

বংগোপ সাগৰৰ শীতল বতাহ বাংলাদেশৰ মাজেৰে উত্তৰ পূৰ্বাঞ্চলত প্ৰবেশ কৰাত কালি সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ তাপমাত্ৰা নিম্নগামী হয়। ইয়াৰ ফলত উত্তৰ পূৰ্বাঞ্চলৰ বিভিন্ন ঠাইত কালি ঘন কুঁৱলীৰ আচ্ছাদন পৰা দেখা যায়। গুৱাহাটী মহানগৰীতো কালি পুৱা প্ৰায় ৯ বজাৰ পৰাই ডাঠ কুঁৱলী পৰা পৰিলক্ষিত হয়। ইয়াৰ ফলত দৃশ্যমানতা হ্ৰাস পোৱাত কালি বৰঝাৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমান বন্দৰৰ পৰা যাবলগীয়া আৰু আহিবলগীয়া ভালেকেইখন বিমানৰ যাত্ৰা এঘণ্টাৰ পৰা ৫ ঘণ্টা পৰ্যন্ত বিলম্ব হয়। কালি শিলচৰ আৰু ইম্ফল বিমান বন্দৰতো দৃশ্যমানতা হ্ৰাস পোৱাত কেইবাখনো বিমানৰ যাত্ৰা বাতিল কৰিবলগীয়া হয়। কলকাতাৰ নেতাজী সুভাষ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ পৰাও ভালেকেইখন বিমানৰ উৰণ বাতিল অথবা বিলম্ব হয়। আজি পুৱাৰ ভাগতো গুৱাহাটীত ডাঠ কুঁৱলী পৰা পৰিলক্ষিত হৈছে। আমালৈ অহা বাতৰি অনুসৰি বৰঝাৰ বিমান বন্দৰত উত্তৰ ভাৰত আৰু পূব ভাৰতৰ পৰা অহা বিমানসমূহ এঘণ্টাৰ পৰা দুঘণ্টা পৰ্যন্ত বিলম্বিত হৈছে। অৱশ্যে বাংগালুৰু আৰু চেন্নাইৰ পৰা অহা বিমানসমূহ প্ৰায় নিৰ্ধাৰিত সময় মতেই চলি আছে।

বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান প্ৰতিষ্ঠানে জনোৱা মতে গুৱাহাটীত আজি সৰ্বোচ্চ তাপমাত্ৰা স্বাভাৱিকতকৈ ৪ দশমিক ৬ ডিগ্ৰী ছেলচিয়াছ কম হ'ব আৰু সৰ্বোচ্চ তাপমাত্ৰা ১৯ ডিগ্ৰী ছেলচিয়াছৰ আশে পাশে থকাৰ সম্ভাৱনা আছে। অৱশ্যে সৰ্বনিম্ন তাপমাত্ৰা ১৫ ডিগ্ৰী ছেলচিয়াছৰ আশে-পাশে থাকিব। উত্তৰ পূৰ্বাঞ্চলৰ চহৰসমূহৰ ভিতৰত কালি ক'হিমাত সৰ্বনিম্ন তাপমাত্ৰা ৫ দশমিক ৬ ডিগ্ৰী, শ্বিলঙত ৭ ডিগ্ৰী, ইম্ফলত ৭ দশমিক ৫ ডিগ্ৰী আৰু উত্তৰ লখিমপুৰত ৯ দশমিক ৩ ডিগ্ৰী ছেলচিয়াছ ৰেকৰ্ড কৰা হয়। বতৰ বিজ্ঞান প্ৰতিষ্ঠানে জনোৱা মতে আজি উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনৰ বতৰ ঘাইকৈ ফৰকাল থাকিব যদিও অৰুণাচল প্ৰদেশৰ কেতবোৰ ঠাইত পাতলীয়া ধৰণৰ বৰষুণৰ সম্ভাৱনা আছে। আটাইকেইখন ৰাজ্যতে আজি দুপৰীয়ালৈকে ঘন কুঁৱলী পৰাৰ সম্ভাৱনা আছে।

কালি গুৱাহাটীৰ সৰ্বোচ্চ তাপমাত্ৰা আছিল ১৯ দশমিক ৩ ডিগ্ৰী ছেলচিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা আছিল ১৫ দশমিক ১ ডিগ্ৰী ছেলচিয়াছ।

ooooooo

ৰিখটাৰ স্কেলত ৪ দশমিক ৮ প্ৰাবল্যৰ এটা ভূমিকম্পই যোৱানিশা অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ আন কেইখনমান ৰাজ্য জোকাৰি যায়। ৰাষ্ট্ৰীয় ভূ-কম্পন বিজ্ঞান কেন্দ্ৰৰ তথ্য অনুসৰি মণিপুৰৰ আন্তৰ্জাতিক সীমান্তৰ পৰা প্ৰায় ১০০ কিলোমিটাৰ পূবে মানম্যাৰৰ ছেদং অঞ্চলত ভূ-পৃষ্ঠৰ পৰা ১০৬ কিলোমিটাৰ গভীৰতাত এই ভূমিকম্পৰ অভিকেন্দ্ৰ আছিল। ভূমিকম্পৰ ফলত ধন-জন হানি হোৱাৰ কোনো তথ্য পোৱা হোৱা নাই।

ooooooo

গুৱাহাটীৰ পৰা আজি প্ৰকাশিত প্ৰায় কেইখন বাতৰি কাকতে কামাখ্যা ধামত দেৱোত্তৰ বোৰ্ডৰ জালিয়াতিক লৈ বিধি বলবৎকাৰী সঞ্চালকালয়ে চলোৱা অভিযান সন্দৰ্ভত প্ৰথম পৃষ্ঠাত আলোকচিত্ৰ সহ ভিন ভিন শিৰোনামেৰে বাতৰি প্ৰকাশ কৰিছে প্ৰকাশ কৰিছে। ৯৯ কোটি ১ লাখ ভোটদাতাৰে ভাৰতে বিশ্ব অভিলেখ

গঢ়া সন্দৰ্ভত দৈনিক জনমভূমি কাকতে এটা বাতৰি প্ৰথম পৃষ্ঠাত স্থান দিছে। প্ৰয়াগৰাজত চলি থকা কুম্ভ মেলাত অসমীয়া বস্ত্ৰ শিল্প, শীতল পাতি শিল্পৰ প্ৰদৰ্শন অনুষ্ঠিত হৈছে। এই বাতৰিটো দৈনিক অসম কাকতে আলোক চিত্ৰ সহকাৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ সচিব বিক্ৰম মিশ্ৰীয়ে অহা ২৬ জানুৱাৰীৰ পৰা দুদিনিয়া কাৰ্য্যসূচীৰে চীনলৈ ৰাওনা হব। এই বাতৰিটো The Assam Tribune কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ৰাজ্য চৰকাৰে ২০ বছৰৰ বাবে বণ্ড বন্ধকত থৈ ২৮ জানুৱাৰীত পুনৰ ৫০০ কোটি টকাৰ ঋণ লব। এই বাতৰিটো আজি প্ৰকাশিত প্ৰায় কেইখন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। পাকিস্তানৰ চোৰাংচোৱা সংস্থা ISIৰ মুৰব্বীয়ে বাংলাদেশৰ ৰংপুৰত উপস্থিত হৈ বৈঠক অনুষ্ঠিত কৰিছে। এই বাতৰিটো নিয়মীয়া বাৰ্তা কাকতে আলোচিত্ৰসহ প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। জাপানৰ osaka ত মূখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ৰোড শ্বত অংশগ্ৰহণ কৰি ৮০ গৰাকী উদ্যোগীক Advantage Assam লৈ আমন্ত্ৰণ জনোৱাৰ সন্দৰ্ভত গুৱাহাটীৰ পৰা আজি প্ৰকাশিত প্ৰায় কেইখন কাকতে প্ৰথম পৃষ্ঠাত আলোকচিত্ৰ সহ এটা বাতৰি প্ৰকাশ কৰিছে। ৰাজ্যত ২৭ জানুৱাৰীলৈ শীতৰ প্ৰকোপ অব্যাহত থকাৰ সম্ভাৱনা-এই বাতৰিটো অসমীয়া খবৰ কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। আলফা স্বাধীনৰ প্ৰাক্তন নেতা দৃষ্টি ৰাজখোৱাই বিজেপি দলত যোগদান কৰাৰ সম্ভাৱনা আছে। এই বাতৰিটো আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। আমেৰিকাৰ কেলিফৰ্ণীয়াৰ বিস্তীৰ্ণ অঞ্চল পুনৰ ভয়াৱহ বনজুইৰ কৱলত পৰিছে। এই বাতৰিটো দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে। ৰাজ্যত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰাক লৈ গুৱাহাটী উচ্চ ন্যায়ালয়ে সেউজ সংকেত দিয়াৰ সন্দৰ্ভত The Sentinel কাকতকে ধৰি প্ৰায় আটাইকেইখন কাকতে বাতৰিটো প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। কালি অনুষ্ঠিত পৰাক্ৰম দিৱসত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অংশগ্ৰহণ কৰি শিক্ষাৰ্থীৰে মত বিনিময় কৰে। এই বাতৰিটো অসমীয়া প্ৰতিদিন আৰু অসমীয়া খবৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।০০০০

০০০০০০০

গুৱাহাটী ক্ৰীড়া সন্থাই আসন্ন লোকপ্ৰিয় গোপীনাথ বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ জৰিয়তে ৰাজ্যৰ ফুটবল খেলুৱৈসকলৰ বিকাশৰ বাবে অভিলাষী আঁচনি গ্ৰহণ কৰিছে। এই আঁচনি অনুযায়ী বৰদলৈ ট্ৰফীত উন্নত প্ৰদৰ্শন কৰা ১৯ বছৰ অনুৰ্ধ খেলুৱৈৰে গঠিত এটা দলক উচ্চ পৰ্যায়ৰ প্ৰশিক্ষণৰ বাবে স্পেইনলৈ প্ৰেৰণ কৰা হ'ব। বি চি চি আইৰ সচিব তথা গুৱাহাটী ক্ৰীড়া সন্থাৰো দায়িত্বত থকা দেৱজিৎ শইকীয়াই কালি অসম অলিম্পিক সন্থাই আয়োজন কৰা সম্বৰ্ধনা অনুষ্ঠানত এই কথা সদৰি কৰে। ৰাজ্যৰ ফুটবল ক্ষেত্ৰখনৰ ভৱিষ্যতক লৈ আশাবাদী শ্ৰী শইকীয়াই কয়, যে ৰাজ্যৰ ঐতিহ্যমণ্ডিত ফুটবল ইতিহাস আছে আৰু ৰাজ্যত প্ৰতিভাৰ অভাৱ নাই। অনাগত সময়ত যথোচিত প্ৰশিক্ষণ আৰু সমৰ্থনেৰে ফুটবলৰ উত্থান ঘটাব পৰা যাব বুলিও তেওঁ মন্তব্য কৰে। তেওঁ কয়, যে এইবাৰ বৰদলৈ ট্ৰফী ফুটবলৰ সময়ত প্ৰতিটো দলত ১৯ বছৰ অনুৰ্ধৰ কমেও ৫ জন খেলুৱৈ থকাটো বাধ্যতামূলক কৰা হৈছে। ইয়াৰে মূল একাদশত অন্তৰ্ভুক্ত কৰিব লাগিব। ইয়াৰ উপৰি প্ৰতিযোগিতাখনৰ পৰা ২০-২২ জন খেলুৱৈক বাছনি কৰি উচ্চ পৰ্যায়ৰ প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হ'ব বুলি তেওঁ জানিবলৈ দিয়ে।

০০০০০০

**সমাপ্ত**